**4 (Sem 3) DITX**

**2014**

# DIRECT TAXES

**Paper : 304**

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions***

1. (a) Fill in the blanks with appropriate word / words : 1×5=5

উপযুক্ত শব্দৰ দ্বাৰা খালী ঠাই পূৰ কৰা ঃ

(i) The rates of income tax for a given year is fixed by the ———— Act passed by the Parliament.

একোটা নিৰ্দিষ্ট বছৰৰ আয়কৰৰ হাৰ সংসদে অনুমোদন জনোৱা ———— আইনৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়।

(ii) The liability to pay advance-tax arise when the estimated amount of income tax for a financial year is ———— or more.

এটা বিত্তীয় বছৰত যেতিয়া অনুমাণিত আয়কৰৰ পৰিমাণ ———— বা অধিক হলে অগ্ৰীম কৰ প্ৰদানৰ দায়িত্ব আছে।

(iii) Income from the sale of a portion of fixed assets is taxable under the head ————.

স্থায়ী সম্পত্তিৰ এটা অংশ বিক্ৰী কৰি পোৱা আয়ক ———— শিতানৰ অধীনত কৰ আৰোপ কৰা হয়।

(iv) Allowances paid by the UNO is ———— exempted.

UNO ই প্ৰদান কৰা ভাট্টা ———— কৰমুক্ত।

(v) Income tax is an ———— tax on income.

আয়কৰ হল আয়ৰ ওপৰত আৰোপ কৰা ———— কৰ ।

(b) State whether the statement is true *or* false : 1×5=5

উক্তিটো শুদ্ধ *নে* অশুদ্ধ উল্লেখ কৰা ঃ

(i) Nationality of an assessee has no relation with the concept of residential status.

বাসস্থানীয় অৱস্থা ধাৰণাৰ সৈতে এজন কৰ প্ৰদানকাৰীৰ নাগৰিকত্বৰ কোনো সম্পৰ্ক নাই।

(ii) Perquisites cannot be given in monetary form.

Perquisites টকাৰ অংকেৰে দিয়া নাযায়।

(iii) In India, Wealth Tax Act of 1957 has been made effective from Ist April, 1958.

ভাৰতবৰ্ষত সম্পত্তি কৰ আইন, 1957, 1 এপ্ৰিল, 1958 তাৰিখৰ পৰা কাৰ্য্যকৰী হয়।

(iv) 'Best Judgement assessment' is also known as 'ex-parte assessment'.

'উত্তম বিবেচনামূলক কৰ নিৰ্ধাৰণ' 'কোনো পক্ষৰ উপস্থিতিবিহীন কৰ নিৰ্ধাৰণ' বুলিও জনা যায়।

(v) Residential status is determined with reference to the individual's physical presence in India.

ব্যক্তি এজনৰ ভাৰতবৰ্ষত শাৰীৰিক উপস্থিতিক ভিত্তি কৰি তেওঁৰ বাসস্থানীয় অৱস্থান নিৰ্ণয় কৰা হয়।

2. Write short answers to the following ***in about 50*** words each : 2×5=10

*প্ৰায়* **50** টা শব্দৰ ভিতৰত নিম্নোক্ত প্ৰতিটো প্ৰশ্নৰ চমু উত্তৰ দিয়া ঃ

(a) Define 'Person' as per Income-tax Act.

আয়কৰ আইন অনুসৰি 'ব্যক্তি'ৰ সংজ্ঞা দিয়া।

(b) Explain short term capital gain.

হ্ৰস্বম্যাদী মূলধনী আয়ৰ ব্যাখ্যা কৰা।

(c) State *two* items of income which can be included under the head "Income from other sources."

"অন্যান্য উৎসৰ পৰা হোৱা আয়'ৰ শিতানত অন্তৰ্ভূক্ত কৰিব পৰা *দুটা* আয় উল্লেখ কৰা।

(d) Mention *any two* perquisites which are taxable for specified employees.

বিশেষ ধৰণে উল্লেখিত কৰ্মচাৰীৰ বাবে কৰযোগ্য *দুবিধ* অতিৰিক্ত সা-সুবিধাৰ নাম উল্লেখ কৰা।

(e) State the meaning of Assessment year as per the Income Tax Act.

আয়কৰ আইন অনুসৰি কৰ নিৰ্দ্ধাৰণী বৰ্ষৰ অৰ্থ উল্লেখ কৰা।

3. Describe briefly ***any four*** of the following : 5×4=20

তলত দিয়াবোৰৰ *যিকোনো চাৰিটাৰ* চমু বিৱৰণ দিয়া ঃ

(a) State the consequences of non-payment of advance-tax.

অগ্ৰীম-কৰ প্ৰদান নকৰাৰ ফলশ্ৰুতি উল্লেখ কৰা।

(b) Enumerate *any five* types of income which are fully exempted from tax.

পূৰ্ণ কৰমুক্ত *যিকোনো পাঁচ বিধ* আয়ৰ বিষয়ে উল্লেখ কৰা।

(c) Explain the meaning of 'Income from other sources' as per Income-tax Act.

আয়কৰ আইন অনুসৰি 'অন্যান্য উৎসৰ পৰা হোৱা আয়'ৰ অৰ্থ ব্যাখ্যা কৰা।

(d) Define 'assets' under the Wealth Tax Act.

সম্পত্তি কৰ আইনৰ আধাৰত 'সম্পত্তি'ৰ সংজ্ঞা দিয়া।

(e) Describe about 'Tax deducted at source' regarding personal income of an individual.

এজন ব্যক্তিৰ ব্যক্তিগত আয়ৰ ক্ষেত্ৰত 'উৎসতে কৰ কৰ্তন' বিষয়ে বিৱৰণ দিয়া।

(f) What do you mean by 'Self Assessment' under the Income Tax Act, 1961 ?

1961 চনৰ আয়কৰ আইনৰ বিধি অনুসাৰী 'আত্মকৰ নিৰুপণ' মানে কি বুজা ?

(g) Mr. S. Dutta is working in a private company in Guwahati. He draws Rs. 15,000 p.m. as basic Salary, Rs. 7,000 p.m. as D.A., Rs. 500 p.m. as city compensatory allowance and Rs. 5000 p.m. as house rent allowance. On 25.03.14, he also drew the salary for the month of April, 2014 in advance. During the period from 1.4.13 to 30.06.13, he resided in his father-in-law's house without paying any rent. On 1.7.13 he started residing in another house where he paid a monthly rent of Rs. 4,000 p.m.

Calculate the amount of taxable house rent allowance for the assessment year 2014-15.

মি ঃ এচ. দত্ত গুৱাহাটীত এটা ব্যক্তিগত কোম্পানীত কৰ্মৰত। তেঁওৰ মূল মাহিলী দৰমহা 15,000 টকা, মৰগীয়া বানচ মাহিলী 7,000 টকা, নগৰীয়া ক্ষতিপূৰক বানচ মাহিলী 500 টকা আৰু ঘৰভাড়া বানচ মাহিলী 5,000 টকা। 25-3-2014 ইং তাৰিখে তেঁও April, 2014 মাহৰ দৰমহা অগ্ৰিম ভাবে উঠাই লয়। 1.4.2013 ৰ পৰা 30.6.2013 ইং তাৰিখলৈকে তেখেত নিজৰ শহুৰৰ ঘৰত কোনো ভাড়া নিদিয়াকৈ বাস কৰে। কিন্তু 1.7.2013 ইং তাৰিখৰ পৰা তেঁও আন এটি ঘৰত মাহিলী 4,000 টকাকৈ ঘৰভাড়া দি থাকিবলৈ লয়।

2014-15 কৰ নিৰ্দ্ধাৰণী বৰ্ষৰ বাবে কৰযোগ্য ঘৰভাড়া বানচ ৰ পৰিমাণ নিৰ্ণয় কৰা।

4. Answer the following :

নিম্নোক্ত বিষয়সমূহৰ উত্তৰ দিয়া ঃ

(a) (i) Mr. A holds shares since 1968 which he acquired for Rs. 1,00,000. Their fair market value on 1.4.1981 was Rs. 1,50,000. On 1.10.1983 he negotiated their sale with Mr. B. and accepted Rs. 30,000 as earnest money, the balance being payable within one month. Mr. B failed to pay the negotiated sum and the earnest money was forfeited. In september, 2013, the shares were sold for Rs. 58,00,000. Compute the amount of capital gain for A.Y. 2014-15.

C.I.I for 1981-82 : 100, 2013-14 : 939

মি. 'A' 1968 চনত কিছু অংশপত্ৰ 1,00,000 টকাত ক্ৰয় কৰিছিল। সেই অংশপত্ৰ সমূহৰ 1.4.1981 ইং তাৰিখত প্ৰকৃত বা উচিত বজাৰ মূল্য আছিল 1,50,000 টকা। 1.10.1983 ইং তাৰিখে তেঁও অংশপত্ৰসমূহ দৰাদৰি কৰি মি. 'B' ক বিক্ৰী কৰি দিয়ে আৰু বায়না হিচাপে 30,000 টকা গ্ৰহণ কৰে। বাকী টকা এমাহৰ ভিতৰত দিবলৈ বন্দোৱস্থ কৰে। মি. 'B' য়ে সময়মতে ধন পৰিশোধ কৰিব নোৱাৰিলে আৰু তেঁওৰ বায়নাৰ টকা বাজেয়াপ্ত হয়। ছেপ্টেম্বৰ, 2013 ত সেই অংশপত্ৰসমূহ 58,00,000 টকাত বিক্ৰী হয়।

2014-15 কৰ নিৰ্ধাৰণকাৰী বছৰটোৰ বাবে মূলধনীয় আয় নিৰ্ণয় কৰা।

মুদ্ৰাস্ফীতি সূচক হাৰ (C I I) : 1981-82 : 100 ; 2013-14 : 939.

*(ii)* Mrigen Das is the owner of a house property located at Guwahati. The municipal value of which is Rs. 1,20,000. The house is let out for a monthly rent of Rs. 8,000. The fair market value is Rs. 84,000. Expenses relating to the house are municipal tax Rs. 2,000, fire insurance premium Rs. 5,000, collection charges Rs. 2,000 and ground rent Rs. 1,000.

The interest on loan taken for the construction of the house is Rs. 20,000 for the previous year 2013-14.

Determine the taxable income from house property of Mrigen Das for the assessment year 2014-15. 5+5=10

মৃগেন দাস গুৱাহাটীত থকা বাসগৃহ সম্পত্তি এটাৰ মালিক, যিটোৰ পৌৰ নিকায় মূল্য 1,20,000 টকা। বাসগৃহটো তেঁও মাহিলী 8,000 টকাত ভাড়া দিয়ে। বাসগৃহটোৰ প্ৰকৃত বা উচিত মূল্য বছৰি 84,000 টকা। বাসগৃহটোৰ যাবতীয় খৰচ হল-পৌৰ

কৰ ২,০০০ টকা, অগ্নিবীমাৰ প্ৰিমিয়াম 5,000 টকা, ভাড়া সংগ্ৰহৰ বাবদ হোৱা খৰচ 2,000 টকা আৰু ভূমি ক্ষেত্ৰৰ বাবদ খাজনা (গ্ৰাউণ্ড ৰেণ্ট) 1,000 টকা।

পূৰ্ববৰ্তী বৰ্ষ 2013-14 ত ঘৰটো নিৰ্মাণৰ বাবে লোৱা ঋণৰ সুদৰ পৰিমাণ আছিল 20,000 টকা। 2014-15 কৰ নিৰ্দ্ধাৰণী বছৰটোৰ বাবে মৃগেন দাসৰ গৃহসম্পত্তিৰ পৰা হোৱা কৰযোগ্য আয় নিৰ্ণয় কৰা।

*Or* / অথবা

(i) Elaborate the meaning of Total Income.
মুঠ আয়ৰ অৰ্থ বহলাই লিখা।

(ii) What are the deductions allowed while computing income from house property? 5+5=10
গৃহ সম্পত্তিৰ পৰা হোৱা আয় নিৰ্ণয় কৰোঁতে কি কি কৰ্তনৰ অনুমতি দিয়া হয় ?

(b) From the following information relating to saving / investment of Mr. Prakash Jha during the previous year 2013-14, ascertain the amount of allowable deductions *u/s.* 80C for the assessment year 2014-15 assuming his gross total income to be Rs. 4,70,000 :

(i) Life insurance premium on his own life (sum assured Rs. 40,000) - Rs. 5,000.

(ii) Deposit in Public Provident Fund Account Rs. 90,000.

(iii) Payment under Unit Linked Insurance Plan Rs. 3,000.

(iv) Contribution to Recognised Provident Fund (20% of basic) — Rs. 36,000

(v) Repayment of instalment of Loan taken from ICICI Bank for construction of house Rs. 24,000.

(vi) Interest accrued on NSC (VIII issue) - Rs. 2,000.

(vii) Donation to charitable institution Rs 20,000. 10

মি. প্ৰকাশ ঝা ৰ 2013-14 বিগত বছৰত তলত উল্লেখিত সঞ্চয় / বিনিয়োগৰ পৰা 2014-15 কৰ নিৰ্ধাৰণকাৰী বছৰটোৰ বাবে আয়কৰ আইনৰ 80C ধাৰামতে কৰ্তন যোগ্য পৰিমাণ নিৰ্ণয় কৰা যদি তেঁওৰ সৰ্বমুঠ আয় 4,70,000 টকা বুলি ধৰা হয় ঃ

(i) নিজৰ জীৱনৰ বাবে দিয়া জীৱন বীমা প্ৰিমিয়াম (বীমাকৃত মূল্য 40,000 টকা) — 5,000 টকা।

(ii) পাব্লিক প্ৰভিডেণ্ট ফাণ্ডত জমা 90,000 টকা।

(iii) ইউনিট সম্পৰ্কীয় বীমা আঁচনিত জমা 3,000 টকা।

(iv) স্বীকৃতিপ্ৰাপ্ত প্ৰভিডেণ্ট ফাণ্ডত জমা (তেঁওৰ মূল দৰমহাৰ 20%) - 36,000 টকা।

(v) ICICI বেঙ্কৰ পৰা ঘৰ নিৰ্মাণৰ বাবে লোৱা ঋণ ৰ কিস্তি প্ৰদান - 24,000 টকা।

(vi) এন.এচ.চি (VIII ইশ্বিউ) ৰ পৰা পোৱা সুদ 2,000 টকা।

(vii) দাতব্য অনুষ্ঠানত দিয়া দানৰ পৰিমাণ 20,000 টকা।

***Or / অথবা***

Define 'Capital Gains' as per the Income Tax Act. Describe the procedure of computation of short term and long term capital gains as per the provisions of this Act. 10

আয়কৰ আইন অনুসৰি 'মূলধনি আয়'ৰ সংজ্ঞা দিয়া। এই আইনৰ নিয়ম অনুসৰি হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী মূলধনী আয় গণনা কৰা পদ্ধতি বৰ্ণনা কৰা।

(c) (i) Mr. Joseph, a foreign citizen (not being a person of Indian origin), comes to India for the first time in the last 20 years, on March 20, 2013. On september 1, 2013, he leaves India for Russia on a

business trip. He comes back on February 26, 2014.

Determine the residential status of Mr. Joseph for the assessment year 2014-15.

মি. জসেফ, এজন বিদেশী নাগৰিক (ভাৰতীয় মূলৰ নহয়) বিগত 20 বছৰত তেখেতপ্ৰথম বাৰ 2013 চনৰ 20 মাৰ্চত ভাৰত লৈ আহে। তেঁও ব্যৱসায় কাৰ্য্যৰ বাবে 2013 চনৰ 1চেপ্টেম্বৰত ভাৰতবৰ্ষ এৰি ৰাছিয়া লৈ গুছি যায়, কিন্তু আকৌ 2014 চনৰ 26 ফেব্ৰুৱাৰী তাৰিখে ভাৰতলৈ উভতি আহে।

2014-15 কৰ নিৰ্ধাৰণকাৰী বছৰটোৰ বাবে মি. জসেফ ৰ বাসস্থানীয় অৱস্থান নিৰ্ণয় কৰা।

*(ii)* Enumerate the deductions that are allowed in respect to expenses and losses while computing income from business or profession. 5+5=10

ব্যবসায় বা বৃত্তিৰ পৰা হোৱা লাভ নিৰ্ণয় কৰোতে বাদ দিবলগীয়া বিভিন্ন খৰচ আৰু ক্ষতিৰ উপাদানসমূহ উল্লেখ কৰা।

*Or* / *অথবা*

Explain the Procedure of assessment of tax under the Income tax Act, 1961. 10

1961 চনৰ আয়কৰ আইন অনুসৰি কৰ নিৰ্ধাৰণ কৰাৰ পদ্ধতি ব্যাখ্যা কৰা।

*(d)* The following are the particulars of income of Mr. Rahman, employed in a private limited company in Guwahati, for the year ended 31st March, 2014 :

*(i)* Basic Salary Rs. 15,000 p.m.

*(ii)* Dearness allowance Rs. 7,500 p.m.

*(iii)* Entertainment allowance Rs. 1,500 p.m.

*(iv)* Free furnished accomodation for which the employer paid a rent of Rs. 5,000 p.m. ; Cost of furniture provided in the house is Rs. 15,000.

*(v)* Employer's contribution to Recognised Provident Fund @ 13% p.a. on basic salary.

(vi) Uniform allowance Rs. 400 p.m. (Actual expenditure Rs. 200 p.m. on an average).

(vii) Medical allowance Rs. 500 p.m. (Actual expenditure Rs. 4,200 during the year).

During the previous year his employer deducted Rs. 2,500 as professional tax from his salary.

Compute his income from salary for the assessment year 2014-15. 10

গুৱাহাটীৰ এটা ব্যক্তিগত কোম্পানীত কমৰ্ৰত মিঃ ৰহমানে 31 March, 2014 ত শেষ হোৱা বছৰটোৰ বাবে তেঁওৰ আয়ৰ খতিয়ান নিম্নলিখিত ধৰণে আগবঢ়ায় ঃ

(i) মূল দৰমহা মাহিলী 15,000 টকা ।

(ii) মৰগীয়া বানচ মাহিলী 7,500 টকা।

(iii) আমোদমূলক বানচ মাহিলী 1,500 টকা।

(iv) তেঁওক ভাৰাবিহীন থকাঘৰৰ ব্যবস্থা কৰি দিয়া হৈছিল যাৰ বাবে নিয়োগকৰ্তাই মাহে 5,000 টকা ভাৰা পৰিশোধ কৰে। উক্ত ঘৰত প্ৰদান কৰা আচবাবৰ মূল্য 15,000 টকা।

(v) স্বীকৃত প্ৰভিডেন্ট ফাণ্ডত নিয়োগকাৰীয়ে মূল দৰমহাৰ ওপৰত বছৰি 13% বৰঙনি দিছিল।

(vi) ইউনিফৰ্ম বানচ মাহিলী 400 টকা (প্ৰকৃত ব্যয় হল গড় মাহিলী 200 টকা)।

(vii) মাহিলী চিকিৎসা বানচ 500 টকা (প্ৰকৃত বছৰেকীয়া ব্যয় 4,200 টকা)।

বিগত বছৰত নিয়োগকাৰীয়ে প্ৰফেচ্‌নল কৰ হিচাপে 2,500 টকা দৰমহাৰ পৰা কৰ্তন কৰিছিল।

2014-15 কৰ নিৰ্ধাৰণকাৰী বৰ্ষৰ বাবে তেঁওৰ দৰমহাৰ পৰা হোৱা আয় নিৰ্ণয় কৰা।

***Or / অথবা***

What is net wealth ? Explain the items of assets included for ascertaining the net wealth of a person. 10

মুঠ সম্পত্তি কি ? ব্যক্তি এজনৰ মুঠ সম্পত্তি নিৰ্দ্ধাৰণ কৰাৰ বাবে অন্তৰ্ভুক্ত কৰিবলগীয়া বিষয়বস্তু ব্যাখ্যা কৰা।